(Sem-1/FYUGP/AEC/MIL-1)

2023

COMMERCE/SCIENCE/ARTS/BCA

Assamese

Full Marks : 30

Time : 1.5 Hours

The figures in the margin indicate full marks for the questions.

১। অতি চমুকৈ উত্তৰ লিখা- ১x৫=৫

(ক) অসমীয়া ভাষাত 'ঐ' বৰ্ণটো বিশিষ্ট ধ্বনি হয়নে?

(খ) জিভাৰ উচ্চতা অনুসৰি অসমীয়া বিশিষ্ট স্বৰধ্বনিক কেইটা ভাগত ভাগ কৰিব পাৰি?

(গ) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা কেইটা?

(ঘ) আধুনিক বিশ্বৰ এটি জনপ্ৰিয় গণমাধ্যমৰ নাম লিখা।

(ঙ) 'নিবিদা' শব্দৰ অভিধানিক অৰ্থ কি?

২। যিকোনো পাঁচোটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ২x৫=১০

(ক) বাগিন্দ্ৰিয় বা বাগযন্ত্ৰৰ দুবিধ অংগৰ নাম লিখা।

(খ) অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি 'উ' য়ে প্ৰতিনিধিত্ব কৰা আখৰ দুটা কি কি?

(গ) অসমীয়া ভাষাৰ কোন দুটা ধ্বনিক অৰ্ধস্বৰ বুলি কোৱা হয়?

(ঘ) অসমীয়া ভাষাৰ দুটা স্পৰ্শ অল্পপ্ৰাণ ধ্বনি উল্লেখ কৰা।

(ঙ) পাণিনীয়ে ৰচনা কৰা সংস্কৃত ব্যাকৰণ খনৰ নাম লিখা।

(চ) 'দিন' আৰু 'দীন' শব্দদুটাৰ অৰ্থ লিখা।

(ছ) আবেদন পত্ৰ কাক বোলে?

(জ) বিজ্ঞাপনৰ ভাষা কেনে হোৱা উচিত?

(ঝ) বাতৰি কাকত এখনত কি কি বাতৰি থাকে?

(ঞ) নিবিদা লেখনত মনোযোগ দিবলগীয়া দুটা বিষয় উল্লেখ কৰা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫x৩=১৫

(ক) ড° বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাৰ গঠন আৰু বিকাশলৈ দৃষ্টি ৰাখি ভাষাটোক মূলতঃ কেইটা ভাগত ভাগ কৰিছে? আলোচনা কৰা।

(খ) জিভাৰ অংশ আৰু ওঁঠৰ আকৃতি অনুসৰি অসমীয়া বিশিষ্ট স্বৰধ্বনিৰ এখন তালিকা প্ৰস্তুত কৰা

(গ) বিজ্ঞাপন বুলিলে কি বুজা? বিজ্ঞাপন লেখন প্ৰক্ৰিয়া সম্পৰ্কে চমুকৈ লিখা।

(ঘ) প্ৰতিবেদন কাক বোলে? প্ৰসংগ বা বিষয়ভেদে প্ৰতিবেদনক কেনেদৰে ভাগ কৰিব পাৰি আলোচনা কৰা।

(ঙ) ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন খেলত অংশ গ্ৰহণ কৰিবৰ বাবে তুমি এসপ্তাহ মহাবিদ্যালয়ৰ শ্ৰেণীসমূহত উপস্থিত থাকিব নোৱাৰিবা। সেইবাবে এসপ্তাহৰ ছুটী বিচাৰি মহাবিদ্যালয়ৰ অধ্যক্ষলৈ এখন আবেদন পত্ৰ লিখা।

*****